# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-March-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। ইৰানত সৃষ্টি হোৱা প্ৰতিকূল পৰিস্থিতিৰ বাবে ভাৰতীয় নাগৰিকসকলক জৰুৰী পৰামৰ্শৱলী মানি চলিবলৈ পশ্চিম এচিয়াৰ ভাৰতীয় দূতাবাসসমূহৰ আহ্বান।

২। খানাপাৰাত ৰাজ্যিক কৃষি উদ্যান শস্য মেলাৰ আজি সামৰণি।

৩। ৰাজ্যজুৰি দৌল উৎসৱৰ ব্যাপক প্ৰস্তুতি।

**আৰু**

৪। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেটৰ আজি কলকাতাত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ খেলত ভাৰত আৰু ৱেষ্ট ইণ্ডিজ মুখামুখি।

ooooo

ইৰানত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ পৰা ৪ শতাধিক আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰাৰ লগতে সময়সূচী সালসলনি কৰা হৈছে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ সূত্ৰই এই বিষয়ে প্ৰকাশ কৰি কয় যে মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইপিনে, পশ্চিম এছিয়াৰ ভাৰতীয় দূতাবাসসমূহে ভাৰতীয় নাগৰিকসকলক জৰুৰী পৰামৰ্শাৱলী মানি চলিবলৈ আহ্বান জনাইছে। ইজৰাইলস্থিত ভাৰতীয় দূতাবাসে অস্থায়ীভাৱে দেশখনত থকা ভাৰতীয় নাগৰিকসকলক ইতিপূৰ্বে জাৰি কৰা পৰামৰ্শাৱলী মানি চলিবলৈ আৰু সময়মতে সাহায্য আৰু যোগাযোগ সুনিশ্চিত কৰাৰ উদ্দেশ্যে দূতাবাসৰ ৱেবচাইটত নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে।

একেদৰে তেহৰানত থকা ভাৰতীয় দূতাবাসেও ভাৰতীয় নাগৰিকসকলক সতৰ্কতা বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে। দূতাবাস কৰ্তৃপক্ষই প্ৰয়োজন নহ'লে ঘৰৰ পৰা বাহিৰলৈ নোলাবলৈ আৰু শেহতীয়া ঘটনাক্ৰমৰ বিষয়ে অৱগত হোৱাৰ বাতৰি চাই থাকিবলৈ কৈছে। আবু ধাবিত থকা ভাৰতীয় দূতাবাসেও ইউ এ ইত থকা ভাৰতীয় নাগৰিকসকলক অযথা ভ্ৰমণ এৰাই চলিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

ডোহাৰ ভাৰতীয় দূতাবাসেও অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ২৪ ঘণ্টাই খোলা থকা হেল্পলাইন নম্বৰ মুকলি কৰিছে। দেশখনত আবদ্ধ ভাৰতীয় লোকসকলে ০০৯৭৪-৫৫৬৪৭৫০২ নম্বৰত ফোন কৰি সাহায্য লাভ কৰিব পাৰিব। ডামাস্কাছত থকা ভাৰতীয় দূতাবাসে অঞ্চলটোৰ সাম্প্ৰতিক পৰিস্থিতিলৈ চাই চিৰিয়াত থকা সকলো ভাৰতীয় নাগৰিকক অনাৱশ্যকীয় যাত্ৰা এৰাই চলিবলৈ, সতৰ্ক হৈ থাকিবলৈ আৰু দূতাবাস তথা চিৰিয়াৰ কৰ্তৃপক্ষই সময়ে সময়ে জাৰি কৰা সুৰক্ষা নিয়মাৱলী আৰু পৰামৰ্শৱলী মানি চলিবলৈ আহ্বান জনাইছে। বাগদাদৰ ভাৰতীয় দূতাৱাসেও একেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। একেদৰে বাহৰেইণৰ ভাৰতীয় দূতাৱাসে ভাৰতীয় নাগৰিকসকলক সাৱধানতা অৱলম্বন কৰিবলৈ আৰু দূতাৱাস তথা স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা নিৰ্দেশাৱলী মানি চলিবলৈ আহ্বান জনাইছে।

উল্লেখযোগ্য যে ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যু হোৱা বুলি দেশখনৰ চৰকাৰী টেলিভিছনে নিশ্চিত কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি আমেৰিকা আৰু ইজৰাইলে ইৰানৰ সামৰিক আৰু চৰকাৰী স্থানসমূহক লক্ষ্য কৰি চলোৱা বিমান আক্ৰমণত খামেনেইৰ মৃত্যু হয়।

০০০০০

শাসকীয় বিজেপিয়ে ৰাজ্যত আৰম্ভ কৰা জন আশীৰ্বাদ যাত্ৰাৰ আজি জাগীৰোডৰ পৰা আৰম্ভ হোৱা দ্বিতীয়দিনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। জাগীৰোডত বৃহৎ সংখ্যক লোকৰ অংশগ্ৰহণেৰে ভিন ভিন জাতি জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য-গীতেৰে এই কাৰ্যসূচী অনুষ্ঠিত হয়। জাগীৰোডৰ পৰা মুখ্যমন্ত্ৰীগৰাকী বৃহৎ মটৰ চাইকেল সমদলেৰে মৰিগাঁৱৰ দিশে অগ্ৰসৰ হয়। বাৰপূজীয়া, ৰহা, নগাওঁ আৰু পুৰণিগুদামত উপস্থিত হোৱাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বঢ়মপুৰত জন আশীৰ্বাদ যাত্ৰাৰ আজিৰ দিনটোৰ কাৰ্যসূচীৰ অন্ত পেলাব।

*(বাইট ঃ ড০ শৰ্মা)*

বিজেপিৰ মিত্ৰদল অসম গণ পৰিষদেও মধ্য গুৱাহাটীত সংকল্প সমাৰোহ অনুষ্ঠিত কৰে। এই সমাৰোহত দলটোৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ লগতে বহুকেইজন জ্যেষ্ঠ নেতা উপস্থিত থাকে।

অসম প্ৰদেশ কংগ্ৰেছেও নাহৰকটীয়াত আজি সময় পৰিৱৰ্তন যাত্ৰা কাৰ্যসূচী অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ, বিধায়ক দেৱব্ৰত শইকীয়া, প্ৰণতি ফুকনৰ লগতে বহু কেইগৰাকী জ্যেষ্ঠ কংগ্ৰেছী নেতাই অংশগ্ৰহণ কৰে। এই পৰিৱৰ্তন যাত্ৰাত নাহৰকটীয়া অঞ্চলৰ বহু লোকে অংশগ্ৰহণ কৰে।

০০০০০

০০০০০

ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে আসন্ন বিধানসভা নিৰ্বাচনত শিৱসাগৰ সমষ্টিৰ পৰা পুনৰ প্ৰতিদ্বন্দ্বিতা কৰাৰ বিষয়ে নিশ্চিত কৰিছে। পূৰ্বৰ পৰা প্ৰতিনিধিত্ব কৰি থকা সমষ্টিটোত প্ৰচাৰ অভিযান আৰম্ভ কৰি তেওঁ লগতে কয় যে কংগ্ৰেছৰ সৈতে তেওঁৰ দলৰ আলোচনা সঠিক দিশত আগবাঢ়িছে। মিত্ৰতাৰ বিষয়টো আজি নিশা বাৰ বজাৰ ভিতৰত স্পষ্ট হ'ব বুলিও বিধায়ক তথা ৰাইজৰ দলৰ নেতাগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে। শিৱসাগৰৰ পৰা আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে, দল দুটাৰ মাজৰ মিত্ৰতাৰ সমীকৰণ মিলিলে কংগ্ৰেছ দলে সমষ্টিটো ৰাইজৰ দলক এৰি দিয়াৰ সম্ভাৱনা আছে।

০০০০০

খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদৰ খেলপথাৰত যোৱা ২৬ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত ২৫ সংখ্যক ৰাজ্যিক কৃষি উদ্যান শস্য মেলাৰ আজি সামৰণি পৰিব। আজি বিয়লি আয়োজিত সামৰণি অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ কৃষি আৰু উদ্যান শস্য খণ্ডৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। তেওঁ ৰাজ্যৰ কৃষকসকলৰ মাজত নতুন জাগৰণৰ সৃষ্টি হৈছে বুলি উল্লেখ কৰে। কৃষি যান্ত্ৰিকীকৰণ আৰু আধুনিক প্ৰযুক্তি ব্যৱহাৰে ৰাজ্যৰ কৃষিক্ষেত্ৰলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে বুলি মন্ত্ৰীগৰাকী প্ৰকাশ কৰে।

বাইট (অতুল বৰা)

আজিৰ অনুষ্ঠানত ৰাজ্যৰ কৃষি বিভাগৰ আয়ুক্ত সচিব আৰু কৃষি উৎপাদন আয়ুক্ত অৰুণা ৰাজোৰিয়া, কৃষি বিভাগৰ সঞ্চালক ডাঃ পি উদয় প্ৰবীণৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে অসম উদ্যান শস্য সমিতিয়ে ৰাজ্য চৰকাৰৰ কৃষি সঞ্চালকালয়, উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজন কৰা এই মেলাত ৮০খনৰো অধিক বিপনীয়ে অংশগ্ৰহণ কৰে। বিপনীসমূহত বিভিন্ন জিলাৰ উন্নত মানৰ কৃষিজাত আৰু উদ্যানশস্যৰ সামগ্ৰী বিক্ৰীৰ লগতে কৃষি উদ্যান প্ৰযুক্তি বিষয়ক প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হয়। অসমত প্ৰচুৰ লাভৰ সম্ভাৱনা থকা উদ্যান শস্যৰ ক্ষেত্ৰৰ বিষয়ে জনসাধাৰণৰ মাজত

সজাগতা সৃষ্টিৰ বাবে অসম উদ্যান শস্য সমিতিয়ে ১৯৯৫ চনত প্ৰথমবাৰৰ বাবে মেলাৰ আয়োজন কৰিছিল। এই মেলাত প্ৰথম অৱস্থাত পুলি বাগানকো প্ৰাধান্য দিয়া হৈছিল। ইয়াৰ পাছত দুবাৰ আন্তৰ্জাতিক উদ্যান শস্য মেলাও অনুষ্ঠিত হয়। এইবাৰৰ মেলাত পুস্পসজ্জা, ৰন্ধন কলা, পাচলি, সতেজ ফুল, ফল-মূল, চাদৰ ওপৰত কৰা বাগিছা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছিল। ইয়াৰ লগতে কৃষি আৰু উদ্যান শস্য বিষয়ক কেইবাখনো আলোচনা চক্ৰ, প্ৰশিক্ষণ আদি অনুষ্ঠিত হয়।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে গুৱাহাটী মহানগৰীৰ পাহাৰত বসবাস কৰা খিলঞ্জীয়া লোকসকলক ভূমি পট্টা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি ৰাজহ মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সভাত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰি কয় যে মুখ্যমন্ত্ৰীৰ সৈতে এই সন্দৰ্ভত আলোচনা কৰা হৈছে আৰু পৰৱৰ্তী ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই বিষয়ে প্ৰস্তাৱ গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই বিষয়টো বিধানসভাৰ অধিবেশনসমূহত উত্থাপন কৰি আহিছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ভূমি পট্টা প্ৰদানৰ ক্ষেত্ৰত থকা আইনী অসুবিধাসমূহ আঁতৰ হোৱাৰ পাছত ভূমি পট্টা প্ৰদান কৰিব পৰা যাব।

০০০০০

ৰাজ্যৰ আন প্ৰান্তৰ লগতে উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰত দৌল উৎসৱৰ ব্যাপক প্ৰস্তুতি চলিছে। মাজুলীৰ নগাওঁ, গোসাইবাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰীফাকুৱা দৌলত ৩ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হ'ব। উৎসৱৰ লগতে সংগতি ৰাখি পানীতোলা, গোসাই কীৰ্তন, আধ্যাত্মিক সন্মিলন, দিহা নাম, ফাকুৱা নাম, দৌল যাত্ৰা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। অন্তিম দিনা সন্ধিয়া শিশু শিল্পীসকলে ভাওনা পৰিৱেশন কৰিব।

০০০০০

শিৱসাগৰ আৰক্ষীয়ে আজি অভিযান চলাই গৰুভৰ্তি বাহনৰ পৰা ধন সংগ্ৰহৰ অভিযোগত চাৰিজন যুৱকক আটক কৰে। শিৱসাগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা যুৱক কেইজনক আৰক্ষীয়ে আটক কৰে।

০০০০০

যোৰহাট আৰক্ষীয়ে আজি অভিযান চলাই চুৰিৰ অভিযোগত পাঁচজন যুৱকক গ্ৰেপ্তাৰ কৰে। সদৰ আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চলা এই অভিযানৰ সময়ত বহু পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ কৰা হয়। ঘটনা সন্দৰ্ভত ধৃত যুৱক কেইজনক আৰক্ষীয়ে সোধা পোছা অব্যাহত ৰাখিছে।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ভাৰত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ হ'লে এই খেলখনত জয়লাভ কৰিবই লাগিব। ইপিনে দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত ছুপাৰ এইট পৰ্যায়ৰ আন এখন খেলত জিম্বাব'ৱেই দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১৫৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত প্ৰথমে বেট ধৰি জিম্বাব'ৱেই নিৰ্ধাৰিত অভাৰত ৭ টা উইকেট হেৰুৱাই ১৫৩ ৰান সংগ্ৰহ কৰে। বাতৰি যুগুতোৱা পৰলৈকে দক্ষিণ আফ্ৰিকাই ১১ অভাৰত পাঁচটা উইকেট হেৰুৱাই ১০৩ ৰান সংগ্ৰহ কৰিছে।

০০০০০

সমাপ্ত